NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 02-04-2024
**Time :** 1340 hrs

*Assamese Evening Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰাখণ্ডৰ নাইনিটাল উধমসিং নগৰ লোকসভা সমষ্টিৰ অধীনৰ ৰুদ্ৰপুৰত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

২। চট্টিশগড়ত আজি সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত ৯ জন মাওবাদী নিহত হয়।

৩। চীনে অৰুণাচল প্ৰদেশৰ ভালেমান ঠাইৰ নাম সলনি কৰা কাৰ্য্যক ভাৰতে গৰিহণা দিছে।

৪। ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অসম আৰু মেঘালয়ৰ ঠাইবিশেষে বৃহস্পতিবাৰলৈ ধাৰাসাৰ বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে বুলি আগলি বতৰা দিছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি উত্তৰাখণ্ডৰ নাইনিটাল উধমসিং নগৰ লোকসভা সমষ্টিৰ অধীনৰ ৰুদ্ৰপুৰত এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে সমষ্টিটোত দলৰ হৈ প্ৰতিদ্বন্দ্বিতা কৰা ৰাজ্যমন্ত্ৰী অজয় ভাটৰ হৈ প্ৰচাৰ চলায়।

ৰাজ্যখনৰ ৫টা লোকসভা সমষ্টিৰ বাবে অহা ১৯ এপ্ৰিলত নিৰ্বাচন অনুষ্ঠিত হ'ব। ৰাজ্যখনত মুঠ ৮৩ লাখ ৩৭ হাজাৰ ৯১৪ গৰাকী ভোটদাতাই ৫৫ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি জয়পুৰ গ্ৰাম্য লোকসভা সমষ্টিৰ অধীনৰ কোটপুটলীৰ এখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰিব। শ্ৰীমোদীয়ে মোলাহেৰা গাঁৱত আয়োজন কৰা সভাস্থলীত উপস্থিত হ'ব। প্ৰধানমন্ত্ৰীগৰাকীয়ে লোকসভা সমষ্টিটোৰ পৰা নিৰ্বাচনত অৱতীৰ্ণ দলীয় প্ৰাৰ্থী ৰাও ৰাজেন্দ্ৰ সিঙৰ হৈ এই সভাত অংশ ল'ব। নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছত এয়া হ'ল ৰাজস্থানত শ্ৰীমোদীৰ প্ৰথমখন নিৰ্বাচনী সভা। ৰাজ্যখনত অহা ১৯ আৰু ২৬ এপ্ৰিলত দুটা পৰ্যায়ত লোকসভা নিৰ্বাচন অনুষ্ঠিত হ'ব।

০০০০০০

চট্টিশগড়ত আজি সুৰক্ষা বাহিনীৰ সৈতে হোৱা এটা সংঘৰ্ষত চাৰিজন মাওবাদী নিহত হয়। চি আৰ পি এফ, কোব্ৰা বেটেলিয়ন, জিলা সংৰক্ষিত বাহিনী আৰু বিশেষ কাৰ্য্য বাহিনীৰ এটা যৌথ দলে বাস্তাৰ সংমণ্ডলৰ বিজাপুৰ জিলাৰ গংগালুৰ এলেকাত চলোৱা তালাচী অভিযানৰ সময়ত কেন্দ্ৰ-কোৰচ'লি বনাঞ্চলত সূত্ৰপাত হোৱা গুলিয়াগুলিত এই মাওবাদীকেইজন নিহত হয়। গুলিয়াগুলিৰ পাছত সুৰক্ষা কৰ্মীয়ে মাওবাদীৰ চাৰিটা শৰদেহ উদ্ধাৰ কৰে। সংঘৰ্ষ স্থলীৰ পৰা এটা এল এম জি, এটা বেৰেল গ্ৰেনেড লঞ্চাৰসহ ভালেমান অস্ত্ৰ-শস্ত্ৰ আৰু গুলী-বাৰুদ উদ্ধাৰ হয়।

০০০০০০

চীনে অৰুণাচল প্ৰদেশৰ ভালেমান ঠাইৰ নাম সলনি কৰা কাৰ্য্যক ভাৰতে গৰিহণা দিছে। বিদেশ মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কৈছে যে, এনেধৰণৰ মনেসজা নামে অৰুণাচল প্ৰদেশৰ বাস্তৱিকতা সলনি কৰিব নোৱাৰে। অৰুণাচল প্ৰদেশ সদায় ভাৰতৰ অবিচ্ছেদ্য অংগ আছিল আৰু আগলৈও অভিন্ন অংগ হৈ থাকিব বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। চীনে বাৰে বাৰে নাম সলনি কৰা কাৰ্য্যৰ প্ৰতিক্ৰিয়াস্বৰূপে ভাৰতে এইদৰে প্ৰকাশ কৰিছে। বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰে কালি কৈছিল যে, নাম সলনি কৰাৰ কাৰ্য্যৰ পৰা কোনো প্ৰভাৱ নপৰে। অৰুণাচল প্ৰদেশ ভাৰতৰ ৰাজ্য আছিল আৰু সদায় ভাৰতৰ ৰাজ্য হৈ থাকিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰিছিল।

০০০০০০

ভাৰতীয় বায়ু সেনাই ৰাজস্থানৰ জয়চালমাৰ জিলাৰ পোখৰাণত সৰ্ববৃহৎ অনুশীলন **গগণ শক্তি**ৰ আয়োজন কৰিছে। কালি আৰম্ভ হোৱা এই অনুশীলন ১০ এপ্ৰিললৈকে চলিব। এই অনুশীলনত বায়ু সেনাই সকলো ডাঙৰ যুদ্ধ বিমান আৰু আধুনিক হেলিকপ্তাৰেৰে নিজৰ আক্ৰমণাত্মক ক্ষমতা প্ৰদৰ্শন কৰিছে। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি, ভাৰতীয় সেনাই এই মেগা অনুশীলনৰ বাবে ৰচদ-পাতিৰ সহায় আগবঢ়াইছে। এই অনুশীলনত তেজছ্, ৰাফেল, চুখয়-থাৰ্টি, জেগুৱাৰ, গ্লোৰমাষ্টাৰ, চিনুক, আপাচী, প্ৰচাণ্ডাকে ধৰি বহু যুদ্ধ বিমান আৰু হেলিকপ্তাৰে অংশগ্ৰহণ কৰিব বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০০০০

নিৰ্বাচন আয়োগে সমাগত লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ সময়ত সকলোকে সমান সুযোগ প্ৰদানৰ বিষয় লৈ মতামত আগবঢ়োৱা আৰু সমগ্ৰ প্ৰক্ৰিয়াত নজৰ ৰখাৰ বাবে ছখন ৰাজ্যত বিশেষ পৰ্য্যবেক্ষক নিয়োগ কৰিছে। এই ৰাজ্যকেইখনৰ ভিতৰত পশ্চিমবংগ, উত্তৰ প্ৰদেশ, মহাৰাষ্ট্ৰ, বিহাৰ, অন্ধ্ৰপ্ৰদেশ আৰু ওড়িশা আছে। বিশেষ পৰ্য্যবেক্ষকসকলক বিশেষকৈ সীমান্তৱৰ্তী এলেকাত গণতান্ত্ৰিক প্ৰক্ৰিয়া বিঘ্নিত কৰিব পৰা যিকোনো প্ৰয়াস ৰোধ কৰাৰ দায়িত্ব অৰ্পণ কৰা হৈছে। নিৰ্বাচন আয়োগে অন্ধ্ৰপ্ৰদেশ, কৰ্ণাটক, তামিলনাডু, উত্তৰ প্ৰদেশ আৰু ওড়িশাত ধন বলৰ প্ৰয়োগ কৰাৰ বাবে বিশেষ বিত্তীয় পৰ্য্যবেক্ষকো নিয়োগ কৰিছে।

০০০০০০

ভাৰতীয় বতৰ বিজ্ঞান বিভাগে পৰৱৰ্তী সাত দিনত পশ্চিম হিমালয় অঞ্চলৰ ঠাইবিশেষে পাতলীয়া বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে বুলি আগলি বতৰা দিছে। বতৰ বিজ্ঞান বিভাগে লগতে ৫ এপ্ৰিল পৰ্য্যন্ত উত্তৰ-পশ্চিম ভাৰতৰ সমভূমি অঞ্চলৰ কেতবোৰ ঠাইত মজলীয়া বৰষুণ হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। জম্মু-কাশ্মীৰ, লাডাখ, গিলগিট, বাল্টিস্তান, মুজফ্ফৰাবাদ আৰু হিমাচল প্ৰদেশত অহা তিনি দিন পৰ্য্যন্ত বিজুলী ঢেৰেকণিৰে ধুমুহা-বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে সম্ভাৱনা প্ৰকাশ কৰিছে।

বিভাগটোৱে লগতে অসম আৰু উত্তৰ-পূব বিহাৰত পৃথিৱী পৃষ্ঠৰ পৰা প্ৰায় ১০ মাইল ওপৰলৈকে বিস্তৃত বায়ুমণ্ডলৰ স্তৰত ঘূৰ্ণী বতাহৰ সম্ভাৱনা অব্যাহত আছে বুলি কৈছে। বিভাগটোৱে কৈছে যে, পৃথিৱী পৃষ্ঠৰ পৰা প্ৰায় ১০ মাইল ওপৰলৈকে বিস্তৃত বায়ুমণ্ডলৰ স্তৰত বংগোপসাগৰৰ পৰা উত্তৰ পূৰ্বাঞ্চললৈ আৰ্দ্ৰতা অধিক মাত্ৰাত গোট খাইছে। ইয়াৰ প্ৰভাৱত পশ্চিমবংগৰ হিমালয়ৰ কাষৰীয়া অঞ্চল আৰু ছিকিমত পৰৱৰ্তী সাত দিনলৈ বিজুলী গাজনিৰে ধুমুহা-বৰষুণ হ'ব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে পূৰ্বানুমান প্ৰকাশ কৰিছে। একেদৰে, অসম আৰু মেঘালয়ৰ ঠাইবিশেষে বৃহস্পতিবাৰলৈ আৰু অৰুণাচল প্ৰদেশত শুকুৰবাৰলৈ ধাৰাসাৰ বৰষুণ আৰু তুষাৰপাত হ'ব পাৰে। বতৰ বিজ্ঞান বিভাগে লগতে মধ্য প্ৰদেশ, বিদৰ্ভ, তেলেংগানা আৰু কৰ্ণাটকৰ উত্তৰ প্ৰান্তৰ ভিতৰুৱা অঞ্চলসমূহত পৰৱৰ্তী তিনিদিন পৰ্য্যন্ত গ্ৰীষ্ম প্ৰৱাহৰ প্ৰকোপ অব্যাহত থাকিব

পাৰে বুলি আগলি বতৰা দিছে। ৰায়লচিমা, অন্ধ্ৰ প্ৰদেশৰ উপকূলভাগ, কেৰালা, তামিলনাড়ু, পুডুচেৰী আৰু ওড়িশাত গৰম আৰু সেমেকা হৈ থাকিব পাৰে বুলি বতৰ বিজ্ঞান বিভাগে পূৰ্বানুমান প্ৰকাশ কৰিছে।

ইপিনে, বিভাগটোৱে দিল্লীৰ বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থাকিব পাৰে আৰু বতাহ বলিব পাৰে বুলি কৈছে। দিল্লীত সৰ্বোচ্চ তাপমাত্ৰা ৩৩ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থকাৰ সম্ভাৱনা আছে।

০০০০০০

সমাগত ওড়িশা বিধানসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে ১১২ জনীয়া প্ৰাৰ্থী তালিকা প্ৰকাশ কৰিছে। সম্বলপুৰ বিধানসভা সমষ্টিৰ পৰা জয়নাৰায়ণ মিশ্ৰই প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে মানস কুমাৰ দত্তই বালেশ্বৰ বিধানসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব। চিতাংছু শেখৰ মহাপাত্ৰই ভদ্ৰক আৰু ক্ৰুছানা চন্দ্ৰ পাত্ৰই ধেনকানাল বিধানসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব।

ইফালে, বিজেপিৰ অজয় নিশাদে কংগ্ৰেছত যোগদান কৰিছে। নতুন দিল্লীত দলৰ নেতা মোহন প্ৰকাশ আৰু পৱন খেৰাৰ উপস্থিতিত অজয় নিশাদে কংগ্ৰেছ দলত যোগদান কৰে। উল্লেখযোগ্য যে, শ্ৰীনিশাদ বিহাৰৰ মুজাফ্ফৰপুৰৰ সাংসদ আছিল যদিও সমাগত লোকসভা নিৰ্বাচনৰ বাবে বিজেপিয়ে তেওঁক প্ৰাৰ্থিত্ব প্ৰদান কৰা নাছিল।

০০০০০০

জম্মু-কাশ্মীৰৰ মুখ্য সচিব অটল ডুল্লুৱে বাৰ্ষিক অমৰনাথ যাত্ৰা-২০২৪ৰ প্ৰস্তুতিৰ বুজ ল'বলৈ জম্মু-কাশ্মীৰৰ আৰক্ষী সঞ্চালকপ্ৰধান, প্ৰশাসনিক সচিব, উপ-আয়ুক্ত আৰু আন বিভাগসমূহৰ মুৰব্বী, ভাৰতীয় বতৰ বিজ্ঞান বিভাগ, দূৰসংযোগ সেৱা প্ৰদানকাৰী সংস্থা আৰু দুৰ্য্যোগ ব্যৱস্থাপনা সংস্থাসমূহৰ প্ৰতিনিধিৰ সৈতে বৈঠকত মিলিত হৈছে। মুখ্য সচিবগৰাকীয়ে উচ্চতম ন্যায়ালয়ৰ নিৰ্দেশনা অনুসৰি, পেহেলগাম আৰু বালটাল পথ দুটাৰ সুৰক্ষা সন্দৰ্ভত বিভিন্ন সংস্থাৰ সৈতে আলোচনা কৰিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ সন্মুখীন হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। ৰাজস্থান ৰয়েলছে কালি আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত মুম্বাইৰ ৱাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৬ উইকেটত পৰাস্ত কৰে। খেলখনত প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি মুম্বাইয়ে নিৰ্ধাৰিত ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১২৫ ৰান সংগ্ৰহ কৰে। মুম্বাইৰ হৈ অধিনায়ক হাৰ্দিক পাণ্ডিয়াই ২১টা বলত ৩৪ ৰাণ কৰাৰ বিপৰীতে তিলক বৰ্মাই ২৯টা বলত ৩২ ৰানৰ বৰঙণি আগবঢ়ায়। ৰাজস্থানৰ হৈ ট্ৰেণ্ট ব'ল্ট আৰু যুজবেন্দ্ৰ চাহালে ৩টাকৈ উইকেট দখল কৰে। প্ৰত্যুত্তৰত ৰাজস্থান ৰয়েলছে ১৫ অভাৰ আৰু ৩টা বলত ৪টা উইকেট হেৰুৱাই বিজয় লক্ষ্যত উপনীত হয়। দলটোৰ হৈ ৰিয়ান পৰাগে ৩৯টা বলত ৫৪ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। খেলখনত আগবঢ়োৱা উজ্জীৱিত প্ৰদৰ্শনৰ বাবে ট্ৰেণ্ট ব'ল্টক প্লেয়াৰ অৱ দা মেচ হিচাপে ঘোষণা কৰা হয়। প্ৰতিযোগিতাখনত এতিয়ালৈকে তিনিওখন খেলতে জয়ী হোৱাৰ সুবাদত ৰাজস্থান ৰয়েলছ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ শীৰ্ষত থকাৰ বিপৰীতে তিনিখন খেলত পৰাস্ত হোৱা মুম্বাইৰ দলটো অন্তিম স্থানত আছে।

০০০০০০

সমাপ্ত